# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-02-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি আই আই টি গুৱাহাটীত থিংক ইণ্ডিয়া উত্তৰ-পূব সন্মিলনৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে ভাৰত বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ বৃহৎ অৱদান আছে বুলি মন্তব্য কৰে। তেওঁ উত্তৰ-পূৰ্বাঞ্চলক বিষয় হিচাপে এই সন্মিলনৰ আয়োজন কৰাৰ পদক্ষেপক প্ৰশংসা কৰে। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহ্য, জৈৱ বৈচিত্ৰ আৰু যুৱ প্ৰজন্মৰ সামৰ্থ, অঞ্চলটোত দেশৰ অমৃতকালত উন্নয়ন আৰু বিকাশৰ অন্যতম কেন্দ্ৰ হিচাপে গঢ় লৈ উঠাৰ কাৰণ বুলিও ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে। এই সন্মিলনৰ আলোচনাসমূহে শিক্ষা, বহনক্ষম উন্নয়ন আৰু অৰ্থনৈতিক সৱলীকৰণৰ বিভিন্ন দিশত আলোকপাত কৰাৰ লগতে উত্তৰ-পূবক প্ৰগতিৰ শিখৰলৈ লৈ যোৱাত অৰিহণা যোগাব বুলি শ্ৰীআচাৰ্যই মন্তব্য কৰে। দক্ষিণ পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ কৌশলগত দিশত থকা গুৰুত্বৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে বিভিন্ন ভৌগোলিক আৰু অন্যান্য প্ৰত্যাহ্বান স্বত্তেও অঞ্চলটো সকলো দিশত আগবাঢ়ি গৈছে। নিজৰ ভাষণৰ সামৰণিত ৰাজ্যপালগৰাকীয়ে অঞ্চলটোৰ যুৱ প্ৰজন্মৰ সামৰ্থক আশা প্ৰকাশ কৰাৰ লগতে তেওঁলোকৰ উদ্ভাৱন ক্ষমতাই উত্তৰ-পূৰ্বাঞ্চলৰ সম্ভাৱনাক বাস্তৱায়িত কৰিব বুলিও মন্তব্য কৰে। এই অনুষ্ঠানত আই আই টি গুৱাহাটীৰ সঞ্চালক, অধ্যাপক দেৱেন্দ্ৰ জালিহালৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ চাংসাৰীত পানীয় উৎপাদনকাৰী প্ৰতিষ্ঠান কেম্পা এণ্ড বেভাৰেজেছৰ সহযোগত বটলিং প্ৰকল্পৰ উদ্বোধন কৰে। প্ৰকল্পটো উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই নতুন প্ৰকল্পটোৱে ৰাজ্যখনৰ ঔদ্যোগিক বিকাশ আৰু অসমত গঢ় লৈ উঠা উদ্যোগৰ বাবে অনুকূল পৰিৱেশ সন্দৰ্ভত ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিবলৈ সমৰ্থ হৈছে। ৰিলায়েন্স কনজিউমাৰ প্ৰডাক্টছ লিমিটেডে ২৫০ কোটি টকা ব্যয় সাপেক্ষে স্থাপন কৰা এই প্ৰকল্পৰ জৰিয়তে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যকেইখনত ঔদ্যোগিক আৰু অৰ্থনৈতিক বিকাশত সহায় হ'ব বুলি মুখ্যমন্ত্ৰীয় মন্তব্য কৰে। তেওঁ কয়, যে এই প্ৰকল্পৰ জৰিয়তে প্ৰত্যক্ষভাৱে কমেও ৩০০টা নিয়োগ সৃষ্টিৰ হোৱাৰ উপৰি সহস্ৰাধিক পৰোক্ষ নিযুক্তিৰ সুবিধা হ'ব। এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ প্ৰাক মুহূৰ্তত এনেধৰণৰ প্ৰকল্প মুকলিয়ে আশাৰ সঞ্চাৰ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০

চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ অবৈধ উপায়েৰে সহায়ৰ নামত ধন লোৱাৰ অভিযোগত বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয় মেঘালয়ৰ স্বত্বাধিকাৰী মহিবুল হকক গ্ৰেপ্তাৰ কৰা হৈছে। অভিযোগ অনুসৰি মহিবুল হকৰ প্ৰতিষ্ঠানটোৱে শ্ৰীভূমিৰ পাথাৰিকান্দি কেন্দ্ৰীয় বিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান পৰীক্ষাত অৱতীৰ্ণ হোৱা ২১৪

জন প্ৰাৰ্থীক উত্তীৰ্ণ কৰিবলৈ ধন লোৱাৰ লগতে অসাধু উপায়েৰে সহায়ৰ প্ৰতিশ্ৰুতি দিছিল। পৰীক্ষাকেন্দ্ৰত এই বিষয়ক কেন্দ্ৰ কৰি হুলস্থুল সৃষ্টি হোৱাত বিষয়টো পোহৰলৈ আহে আৰু শ্ৰীভূমি আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হয়। মহিবুল হকক অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে। হকৰ গ্ৰেপ্তাৰ আৰু পৰৱৰ্তী তদন্তৰ বিষয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকক সম্বোধন কৰি কয়, যে শিক্ষা ব্যৱস্থাত এনে অপকৰ্ম ৰোধ কৰিবলৈ চৰকাৰ সদায় দায়বদ্ধ। ডঃ শৰ্মাই মেডিকেল আৰু ইঞ্জিনিয়াৰিঙৰ প্ৰৱেশ পৰীক্ষাৰ ক্ষেত্ৰতো এই চক্ৰটোৱে অসাধু উপায় অৱলম্বন কৰি আহিছিল বুলি মন্তব্য কৰে।

০০০০০

মানকাচৰৰ হাটশিঙিমাৰীত আজি জিলা বিজেপিৰ উদ্যোগত ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। হাটশিঙিমাৰী প্ৰেছ ক্লাবত অনুষ্ঠিত এই আলোচনাচক্ৰত বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ, জ্যেষ্ঠ নাগৰিক আৰু কেইবাগৰাকী বিজেপি কৰ্মী উপস্থিত থাকে। ধুবুৰী পৌৰ নিগমৰ পৌৰপতি ডাঃ দেবময় স্যানাল মুখ্য অতিথি হিচাপে উপস্থিত থাকি বাজেট সন্দৰ্ভত আলোচনা আগবঢ়ায়। এই আলোচনা চক্ৰত হাটশিঙিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ছাহেৰ আলী, অৰ্থনৈতিক বিজ্ঞানৰ অধ্যাপক ড০ মনিৰুজামান শ্বেখসহ কেইবাগৰাকী জ্যেষ্ঠ নাগৰিকে নিজৰ মতামত প্ৰকাশ কৰে। এই আলোচনা চক্ৰৰ অন্তত ধুবুৰীৰ পৌৰপতি ডাঃ স্যানলে এখন সংবাদমেল আয়োজন কৰি বাজেটৰ লাভালাভ সম্পৰ্কে প্ৰকাশ কৰে।

০০০০০

স্কাউট আৰু গাইড আন্দোলনৰ প্ৰতিষ্ঠাপক লৰ্ড বেডেন পাৱেলৰ স্মৃতিত কেন্দ্ৰীয় বিদ্যালয় কৰিমগঞ্জই আজি বিশ্ব চিন্তা দিৱস পালন কৰে। অনুষ্ঠানত বদৰপুৰৰ ৰেলৱে মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মহেন্দ্ৰ সিং মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিশ্ববিদ্যালয়খনৰ স্কাউট আৰু গাইড উইঙে প্ৰতিজ্ঞা গ্ৰহণ অনুষ্ঠানৰ জৰিয়তে কাৰ্যসূচী আৰম্ভ কৰে। হৃধিমা দাস আৰু ৰূপাংকন দাসে স্কাউট আৰু গাইডৰ নৈতিক মূল্যবোধ সন্দৰ্ভত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। ইয়াৰ পাছত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশ সংৰক্ষণত গুৰুত্ব আৰোপ কৰি **গছ বচাওক** শীৰ্ষক এখন চুটি নাট প্ৰদৰ্শন কৰে। অধ্যক্ষ মহেন্দ্ৰ সিঙে ছাত্ৰ-ছাত্ৰীসকলক লৰ্ড বেডেন পাৱেলৰ দৃষ্টিভংগী আৰু বিশ্ব চিন্তা দিৱসৰ তাৎপৰ্যৰ বিষয়ে ভাষণ আগবঢ়ায়।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত বিদ্যালয়ত যোগান ধৰা ইউনিফৰ্ম বিশেষ পৰীক্ষণ আৰম্ভ হৈছে। হাইলাকান্দি জিলাতো আজিৰে পৰা ইউনিফৰ্ম যোগান প্ৰক্ৰিয়া দূৰ্নীতিমুক্ত কৰাৰ বাবে শিক্ষা বিভাগে বিশেষ পৰীক্ষণৰ ব্যৱস্থা কৰিছে। ইউনিফৰ্মত থকা পলিষ্টাৰ সূতাৰ পৰিমাণ নিৰ্ধাৰণ কৰিবলৈ চালফিউৰিক এছিদৰ ব্যৱহাৰেৰে এই পৰীক্ষাসমূহ চলোৱা হৈছে বুলি বিভাগীয় কৰ্তৃপক্ষই জানিবলৈ দিছে। নিৰ্ধাৰিত পৰিমাণতকৈ বেছি পলিষ্টাৰ থাকিলে সেই ইউনিফৰ্ম বাতিল কৰিবলৈ শিক্ষা বিভাগে নিদৰ্দেশ জাৰি কৰিছে। জিলাখনৰ এহেজাৰ ২৫৭ খন বিদ্যালয়ত প্ৰদান কৰা ইউনিফৰ্মৰ এইদৰে মান পৰীক্ষা কৰা হ'ব।

০০০০০

সমাপ্ত